# 2017

## ASSAMESE

( Major )

Paper : 4·2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। সম্পূৰ্ণ এটা বাক্যত উত্তৰ লিখিবা : ১×৭=৭

(ক) অসমীয়া সংস্কৃতিলৈ অসমত বাস কৰা কোন নৃ-গোষ্ঠীৰ অৱদান আটাইতকৈ বেছি ?

(খ) অশোকৰ লিপিত 'কৈৱৰ্ত'সকলক বুজাবলৈ কি অভিধা ব্যৱহাৰ কৰা হৈছিল ?

(গ) লোকসংস্কৃতিত 'লোক' শব্দটোৱে কাক বুজায় ?

(ঘ) ড০ বাণীকান্ত কাকতিয়ে 'কামাখ্যা' শব্দটো কোন নৃ-গোষ্ঠীৰ ভাষাৰ পৰা অহা বুলি ঠাৱৰ কৰিছে ?

(ঙ) 'অসমৰ জনজাতি' শীৰ্ষক গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি ?

(চ) বৈষ্ণৱধৰ্মৰ উপাস্য দেৱতাগৰাকীৰ নাম কি?

(ছ) *Ballads and Tales of Assam* নামৰ গ্ৰন্থখনৰ লেখক কোন?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) E. B. Tylor-এ আগবঢ়োৱা সংস্কৃতিৰ সংজ্ঞাটো দাঙি ধৰা।

(খ) প্ৰাচীন অসম সম্পৰ্কে প্ৰামাণ্য তথ্য দিব পৰা গ্ৰন্থ দুখনৰ নাম লিখা।

(গ) জনজাতীয় সংস্কৃতিৰ দুটা সাধাৰণ বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) বিষয়বস্তুৰ ফালৰ পৰা ওজাপালি অনুষ্ঠানক কৰা ভাগ দুটা কি কি?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) 'অসম' নামৰ উৎপত্তি

(খ) লোকসংস্কৃতিৰ স্বৰূপ

(গ) অসমীয়া সংস্কৃতিত তামোল-পাণ

(ঘ) পোহনবিয়া





(ঙ) গামোচা

(চ) গৰখীয়া সবাহ

(ছ) আলি-আই-লৃগাং

(জ) হয়গ্ৰীৱ মাধৱ মন্দিৰ

৪। (ক) "অসমীয়া জাতিৰ দৰে অসমীয়া সংস্কৃতিও সমন্বয় প্ৰক্ৰিয়াৰ আধাৰত সৃষ্টি হৈছে।" এই উক্তিৰ আধাৰত অসমীয়া সংস্কৃতিত সমন্বয় প্ৰক্ৰিয়া সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া সংস্কৃতিলৈ জনজাতীয় লোকসকলৰ বৰঙণি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৫। (ক) অসমীয়া জাতি গঠনত অৰিহণা আগবঢ়োৱা নৃ-গোষ্ঠীসমূহৰ চমু পৰিচয় দাঙি ধৰা। ১০

*অথবা*

(খ) সমাজ, সভ্যতা আৰু সংস্কৃতিৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

৬। (ক) অসমৰ মানুহে পালন কৰা যি কোনো এটি বসন্তকালীন উৎসৱ সম্পৰ্কে টোকা প্ৰস্তুত কৰা। ১০

অথবা

(খ) অসমীয়া মানুহৰ বিয়াৰ সৈতে জড়িত স্ত্ৰী-আচাৰসমূহৰ সন্দৰ্ভত এটি নাতিদীৰ্ঘ নিবন্ধ লিখা। ১০

৭। (ক) প্ৰাচীন অসমত শক্তি উপাসনা সম্পৰ্কে কি প্ৰামাণ্য তথ্য পোৱা যায়? চমুকৈ আলোচনা কৰা। ১০

অথবা

(খ) পুৰণি অসমৰ বৈষ্ণৱধৰ্মৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা। ১০

★★★